June : 2026

ASSAMESE

Paper: ASM-M-201

(Introduction to Languages and Scripts of Assam)

অসমৰ ভাষা আৰু লিপিৰ পৰিচয়

Time: 2 ½ Hours **Total Mark: 60**

(The figures in the right margin indicate full marks of the questions)

১। পোনপটীয়া উত্তৰ দিয়াঁ ঃ ১×৬=৬

ক) অসমৰ এটা আৰ্যমূলীয় ভাষাৰ নাম লিখাঁ।

খ) তিৱা ভাষা কোন ভাষা পৰিয়ালৰ অন্তৰ্গত?

গ) অসমীয়া ভাষাৰ মূল কি?

ঘ) 'বুৰঞ্জী' শব্দটো কি ভাষাৰ পৰা আহিছে?

ঙ) 'অসমীয়া ভাষাৰ গঠন আৰু বিকাশ'—এই গ্ৰন্থখন কোনখন গ্ৰন্থৰ অনুবাদ?

চ) অসমীয়া লিপি কি লিপিৰ পৰা বিকাশ হৈছে?

২। ক) অসমত প্ৰচলিত আৰ্যমূলীয় ভাষাসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰাঁ। ১৪

অথবা

খ) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় শাখাৰ অন্তৰ্গত ভাষাসমূহৰ তালিকা প্ৰস্তুত কৰি এটি পৰিচয়মূলক টোকা যুগুত কৰাঁ। ১৪

৩। ক) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ।

৭+৭=১৪

অথবা

খ) মান্য অসমীয়া ভাষা আৰু কামৰূপী উপভাষাৰ তুলনা কৰি এটি আলচ যুগুত কৰাঁ।

৪। ক) অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ কি কি উপাদান পোৱা যায় আলোচনা কৰাঁ। ১৪

অথবা

খ) চমুকৈ লিখাঁ — ৭+৭=১৪

অ) বড়ো ভাষাত অসমীয়া শব্দ

আ) মিছিং ভাষাত অসমীয়া শব্দ

৫। ক) অসমীয়া লিপিৰ উদ্ভৱ সন্দৰ্ভত পণ্ডিতসকলে আগবঢ়োৱা মত সম্পৰ্কে আলচ যুগুত কৰাঁ। ১২

অথবা

খ) চমু টোকা লিখাঁ (যিকোনো তিনিটা) ৪×৩=১২

অ) চিত্ৰ লিপি

আ) ভাব-ধ্বনিমূলক লিপি

ই) ধ্বনি লিপি

ঈ) গড়গঞা লিপি

উ) বামুণীয়া লিপি

***